**13-02-2026** প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**“মৰমৰ সন্তানসকল - ইয়াত তোমালোকৰ সকলো গুপ্ত, সেইকাৰণে তোমালোকে কোনো ধৰণৰ বাহ্যিক জাকজমকতা কৰিব নালাগে, নিজৰ নতুন ৰাজধানীৰ নিচাত থাকিব লাগে”**

প্ৰশ্ন: শ্ৰেষ্ঠ ধৰ্ম আৰু দৈৱী কৰ্মৰ স্থাপনাৰ কাৰণে তোমালোক সন্তানসকলে কোনটো পৰিশ্ৰম কৰা?

উত্তৰ: তোমালোকে এতিয়া 5 বিকাৰ ত্যাগ কৰাৰ পৰিশ্ৰম কৰা, কাৰণ এই বিকাৰবোৰেই সকলোকে ভ্ৰষ্ট কৰিছে। তোমালোকে জানা এই সময়ত সকলো দৈৱী ধৰ্ম আৰু কৰ্মৰ পৰা ভ্ৰষ্ট। পিতাইহে শ্ৰীমত দি শ্ৰেষ্ঠ ধৰ্ম আৰু শ্ৰেষ্ঠ দৈৱী কৰ্মৰ স্থাপনা কৰে। তোমালোকে শ্ৰীমতত চলি পিতাৰ স্মৃতিৰে বিকাৰৰ ওপৰত বিজয় প্ৰাপ্ত কৰা। পঢ়াৰ দ্বাৰা নিজে নিজক ৰাজতিলক দিয়া।

গীত: তুম্হে পাকে হমনে জহান পা লিয়া........ (তোমাক পাই আমি গোটেই জগতখনকেই পাই গ’লোঁ........)

ওঁম্ শান্তি। মৰমৰ আত্মিক সন্তানসকলে এই গীতটি শুনিলে। আত্মিক সন্তানসকলেই কয় যে বাবা। সন্তানসকলে জানে এয়া বেহদৰ পিতা, বেহদৰ সুখ দিওঁতা অৰ্থাৎ তেওঁ সকলোৰে পিতা। তেওঁক সকলো বেহদৰ সন্তানে, আত্মাসকলে স্মৰণ কৰি থাকে। কিবা নহয় কিবা প্ৰকাৰে স্মৰণ কৰে কিন্তু তেওঁলোকে এইটো নাজানে যে আমি সেই পৰমপিতা পৰমাত্মাৰ পৰা বিশ্বৰ বাদশ্বাহী পাওঁ। তোমালোকে জানা আমাক পিতাই যি সত্যযুগী বিশ্বৰ বাদশ্বাহী দিয়ে, সেয়া অচল-অটল অখণ্ড, আমাৰ সেই বাদশ্বাহী 21 জন্মলৈকে অটুট থাকে। গোটেই বিশ্বত আমাৰ ৰাজত্ব থাকে যাক কোনেও কাঢ়ি নিব নোৱাৰে, লুটি নিব নোৱাৰে। আমাৰ ৰাজ্য অচল-অটল কাৰণ তাত এটাই ধৰ্ম থাকে, আন কোনো ধৰ্ম নাথাকে। সেয়া হৈছে অদ্বৈত ৰাজ্য। সন্তানসকলে যেতিয়াই গীত শুনে তেতিয়া নিজৰ ৰাজধানীৰ নিচা জাগি উঠিব লাগে। এনেকুৱা গীত ঘৰত থাকিব লাগে। তোমালোকৰ সকলো গুপ্ত আৰু ডাঙৰ ডাঙৰ ব্যক্তিসকলৰ বহুত বাহ্যিক জাকজমকতা থাকে। তোমালোকৰ বাহ্যিক জাকজমকতা নাই। তোমালোকে দেখিছা বাবাই যাৰ শৰীৰত প্ৰৱেশ কৰিছে তেৰোঁ কিমান সাধাৰণভাৱে থাকে। এইটোও সন্তানসকলে জানে ইয়াত প্ৰত্যেক মনুষ্যই ভ্ৰষ্টাচাৰী ছিঃ ছিঃ কামেই কৰে, সেইকাৰণে অবোধ বুলি কোৱা হয়। বুদ্ধিত একেবাৰে তলা লাগি আছে। তোমালোক কিমান বিচাৰ বুদ্ধি সম্পন্ন আছিলা। বিশ্বৰ মালিক আছিলা। এতিয়া মায়াই ইমান অবোধ কৰি দিলে যে কোনো কামৰ হৈ নাথাকিলা। পিতাৰ ওচৰত যাবলৈ যজ্ঞ-তপ আদি বহুত কৰি থাকে কিন্তু একোৱে পোৱা নাযায়। এনেয়ে হাবাথুৰি খাই থাকে।। দিনে-প্ৰতিদিনে অকল্যাণহে হৈ থাকে। যিমানে মনুষ্য তমোপ্ৰধান হৈ যায় সিমানে অকল্যাণ হ’বই। ঋষি-মুনি যিসকলৰ গায়ন আছে তেওঁলোক পৱিত্ৰ হৈ আছিল। তেওঁলোকে ‘নাজানো নাজানো’ বুলি কৈছিল। এতিয়া তমোপ্ৰধান হৈ গ’ল সেয়েহে কয় - “শিৱোহম্ ততত্বম্ (ময়েই শিৱ, তোমালোকো তেনেকুৱাই), সৰ্বব্যাপী হয়, তোমাৰ-মোৰ মাজত সকলোতে আছে”। তেওঁলোকে মাত্ৰ পৰমাত্মা বুলি কয়। পৰমপিতা বুলি কেতিয়াও নকয়। পৰমপিতা, তেওঁক আকৌ সৰ্বব্যাপী বুলি কোৱা এয়াতো ভুল হৈ যায় সেইকাৰণে আকৌ ঈশ্বৰ বা পৰমাত্মা বুলি কৈ দিয়ে। পিতা শব্দটি বুদ্ধিত উদয় নহয়। যদিওবা কোনোবাই কয়ো সেয়াও কোৱাতে সীমাবদ্ধ। যদি পৰমপিতা বুলি বুজে তেন্তে বুদ্ধি একেবাৰে প্ৰকাশিত হৈ যাব। পিতাই স্বৰ্গৰ উত্তৰাধিকাৰ দিয়ে, তেওঁ হয়েই স্বৰ্গ স্থাপন কৰোঁতা ঈশ্বৰ পিতা। তেন্তে আকৌ আমি নৰকত কিয় পৰি আছোঁ। এতিয়া আমি মুক্তি-জীৱনমুক্তি কেনেকৈ পাব পাৰোঁ। এইটো কাৰো বুদ্ধিত উদয় নহয়। আত্মা পতিত হৈ গৈছে। আত্মা প্ৰথমে সতোপ্ৰধান, বিচাৰ বুদ্ধি সম্পন্ন হয় পাছত সতো-ৰজো-তমোত আহে, অবোধ হৈ যায়। এতিয়া তোমালোকৰ বিচাৰ বুদ্ধি উদয় হৈছে। বাবাই আমাক এইটো সোঁৱৰাই দিছে। যেতিয়া নতুন সৃষ্টি ভাৰত আছিল তেতিয়া আমাৰ ৰাজত্ব আছিল। এটাই মত, এটাই ভাষা, এটাই ধৰ্ম, এগৰাকী মহাৰজা-মহাৰাণীৰ ৰাজ্য আছিল, আকৌ দ্বাপৰত বাম (বিকাৰী) মাৰ্গ আৰম্ভ হয় তেতিয়া প্ৰত্যেকেই কৰ্মৰ ওপৰত নিৰ্ভৰ হৈ পৰে। কৰ্ম অনুসৰি এটা শৰীৰ এৰি অন্য এটা লয়। এতিয়া পিতাই কয় - মই তোমালোকক এনেকুৱা কৰ্ম শিকাওঁ যে 21 জন্ম তোমালোকে বাদশ্বাহী পোৱা। হওঁতে তাতো লৌকিক পিতাতো থাকে কিন্তু তাত এইটো জ্ঞান নাথাকে যে এই ৰাজ্য-ভাগ্যৰ উত্তৰাধিকাৰ বেহদৰ পিতাই দিয়া। আকৌ দ্বাপৰৰ পৰা ৰাৱণৰাজ্য আৰম্ভ হয়, বিকাৰী সম্বন্ধ হৈ যায়। তেতিয়া কৰ্ম অনুসৰি জন্ম পায়। ভাৰতত পূজ্য ৰজাও আছিল আৰু পূজাৰী ৰজাও আছিল। সত্যযুগ-ত্ৰেতাত সকলো পূজ্য হয়। তাত পূজা বা ভক্তি একো নাথাকে আকৌ দ্বাপৰত যেতিয়া ভক্তিমাৰ্গ আৰম্ভ হয় তেতিয়া যেনেকুৱা ৰজা-ৰাণী তেনেকুৱা প্ৰজা পূজাৰী, ভক্ত হৈ যায়। আটাইতকৈ শ্ৰেষ্ঠ ৰজা যি সূৰ্যবংশী পূজ্য আছিল, তেৱেঁই পূজাৰী হৈ যায়।

এতিয়া তোমালোক যি নিৰ্বিকাৰী হৈছা, তাৰ প্ৰালব্ধ 21 জন্মৰ কাৰণে। আকৌ ভক্তিমাৰ্গ আৰম্ভ হয়। দেৱতাসকলৰ

মন্দিৰ সাজি পূজা কৰি থাকে। এয়া কেৱল ভাৰতততহে হয়। 84 জন্মৰ কাহিনী যি পিতাই শুনায়, এয়াও ভাৰতবাসীৰ কাৰণে। অন্য ধৰ্মাৱলম্বীসকলতো পাছতহে আহে। আকৌ বৃদ্ধি হৈ হৈ অনেক হৈ যায়। বিভিন্ন ধৰ্মাৱলম্বীসকলৰ চেহেৰা, প্ৰত্যেকটো কথাত ভিন্ন ভিন্ন হৈ যায়। নীতি-প্ৰথাও ভিন্ন ভিন্ন হয়। ভক্তিমাৰ্গৰ কাৰণে সামগ্ৰীও লাগে। যেনেকৈ বীজ সৰু, বৃক্ষ কিমান ডাঙৰ হয়। বৃক্ষৰ পাত আদি লেখিব নোৱাৰি। এনেকৈয়ে ভক্তিৰো বিস্তাৰ হৈ যায়। অনেক শাস্ত্ৰ ৰচি গৈ থাকে। এতিয়া পিতাই সন্তানসকলক কয় – এই ভক্তিমাৰ্গৰ সামগ্ৰী সকলো নাশ হৈ যায়। এতিয়া মোক পিতাক স্মৰণ কৰা। ভক্তিৰ প্ৰভাৱো বহুত নহয় জানো। কিমান সুন্দৰ, নৃত্য, মনোৰঞ্জন, কীৰ্তন আদিত কিমান খৰচ কৰে। এতিয়া পিতাই কয় - মোক পিতাক আৰু উত্তৰাধিকাৰক স্মৰণ কৰা। আদি সনাতন নিজৰ ধৰ্মক স্মৰণ কৰা। অনেক প্ৰকাৰৰ ভক্তি তোমালোকে জন্ম-জন্মান্তৰ কৰি আহিছা। সন্ন্যাসীয়েও আত্মাসকল থকা স্থানক, তত্বক পৰমাত্মা বুলি বুজি লয়। ব্ৰহ্ম বা তত্বকেই স্মৰণ কৰে। বাস্তৱত সন্ন্যাসী যেতিয়া সতোপ্ৰধান হয় তেতিয়া তেওঁলোক জংঘলত গৈ শান্তিত থাকিব লাগে। এনেকুৱা নহয় যে তেওঁলোকে ব্ৰহ্মত গৈ লীন হ'ব লাগে। তেওঁলোকে ভাবে ব্ৰহ্মৰ স্মৃতিত থাকিলে, শৰীৰ এৰিলে ব্ৰহ্মত লীন হৈ যাব। পিতাই কয় – লীন কোনেও হ'ব নোৱাৰে। আত্মাতো অবিনাশী হয় নহয়, আত্মা লীন কেনেকৈ হ'ব পাৰে। ভক্তিমাৰ্গত কিমান মগজ খটুৱাই থাকে, আকৌ কয় - ভগৱান কিবা নহয় কিবা ৰূপত আহিব। এতিয়া কোন শুদ্ধ? তেওঁলোকে কয় - আমি ব্ৰহ্মৰ সৈতে যোগসূত্ৰ গঢ়ি ব্ৰহ্মত লীন হৈ যাম। গৃহস্থ ধৰ্মত থকাসকলে কয় - ভগৱান কিবা নহয় কিবা ৰূপত পতিতসকলক পাৱন কৰি তুলিবলৈ আহিব। এনেকুৱা নহয় যে ওপৰৰ পৰা প্ৰেৰণাৰ দ্বাৰাই শিকাব। শিক্ষকে ঘৰত বহি প্ৰেৰণা দিব জানো! 'প্ৰেৰণা' শব্দ নাই। প্ৰেৰণাৰে কোনো কাম নহয়। যদিও শঙ্কৰৰ প্ৰেৰণাৰ দ্বাৰা বিনাশ হোৱা বুলি কয় কিন্তু এয়া ড্ৰামাত পূৰ্বে নিৰ্ধাৰিত হৈ আছে। তেওঁলোকে এই ক্ষেপণাস্ত্ৰ আদিতো তৈয়াৰ কৰিবই। এয়া কেৱল মহিমা গোৱা হয়। কোনেও নিজতকৈ জ্যেষ্ঠজনৰ মহিমা নাজানে। ধৰ্ম প্ৰতিষ্ঠাপককো গুৰু বুলি কৈ দিয়ে কিন্তু তেওঁলোকেতো কেৱল ধৰ্ম প্ৰতিষ্ঠা কৰে। গুৰু সেইজনক কোৱা হয় যিয়ে সংগতি কৰে। তেওঁলোকতো ধৰ্ম প্ৰতিষ্ঠা কৰিবলৈ আহে, তেওঁলোকৰ পাছে পাছে তেওঁলোকৰ বংশাৱলী আহি থাকে। সংগতিতো কাৰো নকৰে। গতিকে তেওঁলোকক গুৰু বুলি কেনেকৈ ক'ব। গুৰুতো এজনেই যাক সকলোৰে সংগতি দাতা বুলি কোৱা হয়। ভগৱান পিতাহে আহি সকলোৰে সংগতি কৰে। মুক্তি-জীৱনমুক্তি দিয়ে। তেওঁৰ স্মৃতি কেতিয়াও কাৰো বিস্মৃত হ'ব নোৱাৰে। লাগিলে স্বামীৰ প্ৰতি যিমানেই মৰম নাথাকক তথাপি 'হে ভগৱান', 'হে ঈশ্বৰ' বুলি নিশ্চয় ক'ব কাৰণ তেৱেঁই সকলোৰে সংগতি দাতা। বাবাই বহি বুজায়, এই সকলোবোৰ ৰচনা। ৰচয়িতা পিতা হৈছোঁ মই। সকলোকে সুখ দিওঁতা এজনেই পিতা। ভায়ে ভাইক উত্তৰাধিকাৰ দিব নোৱাৰে। উত্তৰাধিকাৰ সদায় পিতাৰ পৰা পোৱা যায়। তোমালোক সকলো বেহদৰ সন্তানসকলক বেহদৰ উত্তৰাধিকাৰ দিওঁ সেইকাৰণে মোক স্মৰণ কৰে – হে পৰমপিতা, ক্ষমা কৰক, দয়া কৰক। একোৱে বুজি নাপায়। ভক্তিমাৰ্গত অনেক প্ৰকাৰৰ মহিমা কৰে, এয়াও ড্ৰামা অনুসৰি নিজৰ ভূমিকা পালন কৰি থাকে। পিতাই কয় - মই এওঁলোকৰ আহ্বান শুনি নাহোঁ। এয়াতো ড্ৰামা ৰচি থোৱা আছে। ড্ৰামাত মই অহাৰ ভূমিকা নিৰ্ধাৰিত হৈ আছে। অনেক ধৰ্মৰ বিনাশ, এক ধৰ্মৰ প্ৰতিষ্ঠা বা কলিযুগৰ বিনাশ, সত্যযুগৰ স্থাপনা কৰিবলগীয়া হয়। মই নিজৰ সময়ত নিজেই আহোঁ। এই ভক্তিমাৰ্গৰো ড্ৰামাত ভূমিকা আছে। এতিয়া যেতিয়া ভক্তিমাৰ্গৰ ভূমিকা পূৰা হয় তেতিয়া মই আহোঁ। সন্তানসকলেও কয়, এতিয়া আমি জানি গ'লোঁ, 5 হাজাৰ বছৰৰ পাছত আকৌ আপোনাক লগ পাইছোঁ। কল্প পূৰ্বেও বাবা আপুনি ব্ৰহ্মাৰ শৰীৰতে আহিছিল। এই জ্ঞান তোমালোকে এতিয়া পাইছা আৰু কেতিয়াও নোপোৱা। এয়া হ'ল জ্ঞান, সেয়া হ'ল ভক্তি। জ্ঞানৰ হৈছে প্ৰালব্ধ, আৰোহণ কলা। চেকেণ্ডত জীৱনমুক্তি বুলি কোৱা হয়। এনেকৈ কয় যে জনকে চেকেণ্ডত জীৱনমুক্তি পালে। কি কেৱল এজন জনকেহে জীৱনমুক্তি পালে জানো? জীৱনমুক্তি অৰ্থাৎ এই ৰাৱণৰাজ্যৰ পৰা জীৱনক মুক্ত কৰে।

পিতাই জানে সকলো সন্তানৰে কিমান দুৰ্গতি হৈ গ'ল। তেওঁলোকৰেই আকৌ সংগতি হ'ব লাগে। দুৰ্গতিৰ পৰা আকৌ উচ্চ গতি, মুক্তি-জীৱনমুক্তি পায়। প্ৰথমে মুক্তিত গৈ পাছত জীৱনমুক্তিত আহিব। শান্তিৰ পৰা আকৌ সুখধামত আহিব। এই চক্ৰৰ সকলো ৰহস্য পিতাই বুজাইছে। তোমালোকৰ লগত অন্য ধৰ্মও অহা-যোৱা কৰি থাকে, মনুষ্য সৃষ্টি বৃদ্ধি হৈ গৈ থাকে। পিতাই কয় - এই সময়ত এই মনুষ্য সৃষ্টিৰ বৃক্ষ তমোপ্ৰধান জৰ্জৰিত হৈ গ'ল। আদি সনাতন দেৱী-দেৱতাসকলৰ ধৰ্মৰ আধাৰ গোটেই পচি গ'ল। বাকী সকলো ধৰ্ম ঠিয় হৈ আছে। ভাৰতত এজনেও নিজক আদি সনাতন দেৱী-দেৱতা ধৰ্মৰ বুলি নাভাবে। হওঁতে দেৱতা ধৰ্মৰ কিন্তু এই সময়ত এইটো নুবুজে যে আমি আদি সনাতন দেৱী-দেৱতা ধৰ্মৰ আছিলোঁ কিয়নো দেৱতাসকলতো পৱিত্ৰ আছিল। এনেকৈ ভাবে যে আমিতো পৱিত্ৰ নহয়। আমি অপৱিত্ৰ পতিতসকলে নিজক দেৱতা বুলি কেনেকৈ কওঁ? এয়াও ড্ৰামাৰ পৰিকল্পনা অনুসৰি হিন্দু বুলি কোৱাতো প্ৰথা হৈ যায়। লোকপিয়লতো হিন্দু ধৰ্ম লিখি দিয়ে। গুজৰাটী হ'লেও হিন্দু গুজৰাটী বুলি কৈ দিব। তেওঁলোকক সোধাচোন যে হিন্দু ধৰ্ম ক'ৰ পৰা আহিল? তেতিয়া কোনেও নাজানে কেৱল কৈ দিয়ে – আমাৰ ধৰ্ম কৃষ্ণই প্ৰতিষ্ঠা কৰিলে। কেতিয়া? দ্বাপৰত। দ্বাপৰৰ

পৰাই এওঁলোকে নিজৰ ধৰ্মক পাহৰি 'হিন্দু' বুলি ক'বলৈ ধৰিলে সেইকাৰণে তেওঁলোকক দৈৱী ধৰ্ম ভ্ৰষ্ট বুলি কোৱা হয়। তাত সকলোৱে ভাল কৰ্ম কৰে। ইয়াত সকলোৱে ছিঃ ছিঃ কৰ্ম কৰে সেইকাৰণে দেৱী-দেৱতা ধৰ্ম ভ্ৰষ্ট, কৰ্ম ভ্ৰষ্ট বুলি কোৱা হয়। এতিয়া আকৌ শ্ৰেষ্ঠ ধৰ্ম, শ্ৰেষ্ঠ দৈৱী কৰ্মৰ স্থাপনা হৈ আছে সেইকাৰণে কোৱা হয় এতিয়া এই 5 বিকাৰ ত্যাগ কৰা। এই বিকাৰ আধাকল্পৰ পৰাই আছে। এতিয়া এটা জন্মত ইয়াক ত্যাগ কৰা – এই ক্ষেত্ৰতে পৰিশ্ৰম হয়। পৰিশ্ৰম অবিহনে বিশ্বৰ বাদশ্বাহী পাবা জানো। পিতাক স্মৰণ কৰিলে তেতিয়াহে তোমালোকে নিজক ৰাজতিলক দিয়া অৰ্থাৎ ৰাজ্য-ভাগ্যৰ অধিকাৰী হোৱা। যিমানে ভালধৰণে স্মৃতিত থাকিবা, শ্ৰীমতত চলিবা, তেতিয়া তোমালোক ৰজাৰো ৰজা হ'বাগৈ। পঢ়াওঁতা শিক্ষকতো পঢ়াবলৈ আহিছে। এই পাঠশালা হৈছেই মনুষ্যৰ পৰা দেৱতা হোৱাৰ। নৰৰ পৰা নাৰায়ণ হোৱাৰ কাহিনী শুনায়। এই কাহিনী কিমান প্ৰসিদ্ধ। ইয়াক অমৰকথা, সত্য-নাৰায়ণৰ কথা, তৃতীয় নেত্ৰৰ কথা বুলিও কয়। তিনিওটাৰে অৰ্থও পিতাই বুজায়। ভক্তিমাৰ্গৰতো বহুত কাহিনী আছে। সেয়েহে চোৱা গীত কিমান ভাল। বাবাই আমাক গোটেই বিশ্বৰ মালিক কৰি তোলে, যি মালিকবোধ কোনেও লুটি নিব নোৱাৰে। ভাল বাবু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) সদায় এইটো স্মৃতি ৰাখিব লাগে যে আমি এক মত, এক ৰাজ্য, এক ধৰ্ম প্ৰতিষ্ঠাৰ নিমিত্ত হওঁ সেইকাৰণে একমত হৈ থাকিব লাগে।

(2) নিজক ৰাজতিলক দিবলৈ বিকাৰবোৰ ত্যাগ কৰাৰ পৰিশ্ৰম কৰিব লাগে। পঢ়াৰ প্ৰতি পূৰা ধ্যান দিব লাগে।

বৰদান: কৰ্মাতীত স্থিতিত স্থিৰ হৈ চাৰিওফালৰ সেৱা চম্ভালোঁতা সিদ্ধি স্বৰূপ হোৱা

আগলৈ চাৰিওফালৰ সেৱাৰ বিস্তাৰ চম্ভালিবলৈ ভিন্ন ভিন্ন সাধন গ্ৰহণ কৰিবলগীয়া হ'ব কিয়নো সেই সময়ত চিঠি-পত্ৰ, টেলিগ্ৰাম বা টেলিফোন আদিয়ে কাম নকৰিব। তেনেকুৱা সময়ত বেতাঁৰ যন্ত্ৰ লাগে। ইয়াৰ বাবে এতিয়াই 'কৰ্মযোগী' আৰু এতিয়াই 'কৰ্মাতীত' স্থিতিত স্থিৰ হোৱাৰ অভ্যাস কৰা। তেতিয়া চাৰিওফালে সংকল্পৰ সিদ্ধিৰ দ্বাৰা সেৱাত সহযোগী হ'ব পাৰিবা।

শ্লোগান: পৰমাত্ম প্ৰেমৰ প্ৰতিপালনৰ স্বৰূপ হৈছে তোমালোকৰ সহজযোগী জীৱন।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত: একতা আৰু বিশ্বাসৰ বিশেষত্বৰে সফলতা সম্পন্ন হোৱা

প্ৰত্যেকে দুটা কথাৰ ওপৰত বিশেষ ধ্যান দিব লাগে - এটা হ'ল সদায় সংস্কাৰ মিলনৰ একতা। দ্বিতীয়তে ইজনে সিজনৰ প্ৰতি বিশ্বাস ৰাখি সদায় সন্তুষ্ট হৈ থকা আৰু সকলোকে সন্তুষ্ট কৰা। যেতিয়া এই দুয়োটা কথাৰ প্ৰতি সদায় ধ্যান থাকিব তেতিয়া পিতা যি হয়, যেনেকুৱা হয় তেনেকৈয়ে দৃষ্টিগোচৰ হ'ব আৰু প্ৰত্যক্ষতা হ'ব।